কিয়ামতৰ দিনা সিহঁতে কঠিন শাস্তি ভোগ কৰিব, যিসকলে আল্লাহৰ সৃষ্টিৰ সাদৃশ্য প্ৰদৰ্শনত লিপ্ত হয়।

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম মোৰ ওচৰলৈ আহিল, তেতিয়া মোৰ তাত এটা ত্বাক (shelf) আছিল যিটোক মই পৰ্দাৰে আবৃত কৰি ৰাখিছিলোঁ, সেই পৰ্দাত কিছুমান চিত্ৰ আছিল।
তেখেতে সেইটো দেখা পাই ছিঙি পেলালে, আৰু তেখেতৰ মুখমণ্ডল ৰঙা পৰি গ'ল। তেখেতে ক'লেঃ
"হে আঈশ্বা! কিয়ামতৰ দিনা সিহঁতে কঠিন শাস্তি ভোগ কৰিব, যিসকলে আল্লাহৰ সৃষ্টিৰ সাদৃশ্য প্ৰদৰ্শনত লিপ্ত হয়।" আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই কৈছেঃ "এইটো শুনাৰ
পিছত মই সেই পৰ্দা ফালি এখন অথবা দুখন গাৰু বনাই লৈছিলোঁ।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ঘৰত প্ৰৱেশ কৰিলে আৰু আঈশ্বাৰ তাত এটা সৰু শ্বেল্ফ দেখা পালে য'ত তেওঁ বস্তু বাহিনী ৰাখিছিল, সেইটোক তেওঁ কাপোৰেৰে আবৃত কৰি ৰাখিছিল যিটোত জীৱ-জন্তুৰ চিত্ৰ আছিল। সেয়া দেখি খঙতে তেখেতৰ মুখমণ্ডলৰ ৰং সলনি হৈ পৰিছিল আৰু তেখেতে সেইটোক আঁতৰাই পেলাইছিল আৰু কৈছিলঃ কিয়ামতৰ দিনা সেইসকল লোকক কঠিন শাস্তি বিহা হ'ব যিসকলে চিত্ৰ অংকন কৰি আল্লাহৰ সৃষ্টিৰ সাদৃশ্য প্ৰদৰ্শন কৰে। আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই কৈছেঃ ইয়াৰ পিছত আমি সেইটোক ফালি এখন বা দুখন গাৰু বনাই লৈছিলোঁ।

http://www.sunnah.global/hadeeth/as/show/5931